**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 30-01-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

**::::::::::::::::::::**

১।　লোকসভাত কালি দাখিল কৰা অৰ্থনৈতিক সমীক্ষাৰ পৰা ভাৰতৰ দ্ৰুত সংস্কাৰ প্ৰক্ৰিয়া গোলকীয় প্ৰত্যাহ্বান সত্বেও সঠিক দিশত অগ্ৰসৰ হোৱাৰ কথা প্ৰমাণিত হোৱা বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে।

২।　কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি অসমৰ ডিব্ৰুগড়ত কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব।

৩।　উপকূলৰক্ষী বাহিনীয়ে বাংলাদেশত গ্ৰেপ্তাৰ হোৱা ২৩ জন ভাৰতীয় মাছমৰীয়াক নিৰাপদে স্বদেশলৈ ঘূৰাই অনাবুলি জানিবলৈ দিছে।

৪।　আই এম এফে ভাৰত আৰু ইউৰোপীয় সংঘৰ মাজত অলপতে সম্পাদিত মুক্ত বাণিজ্য চুক্তিখনক ইতিবাচক ঘটনাক্ৰম বুলি অভিহিত কৰিছে। ***আৰু***

৫।　মহিলা প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা  ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৱে ইউ পি ৱাৰিয়ৰ্ছক ৮ উইকেটত পৰাস্ত কৰে।

০০০০০

লোকসভাত কালি দাখিল কৰা অৰ্থনৈতিক সমীক্ষাৰ পৰা ভাৰতৰ দ্ৰুত সংস্কাৰ প্ৰক্ৰিয়া গোলকীয় প্ৰত্যাহ্বান সত্বেও সঠিক দিশত অগ্ৰসৰ হোৱাৰ কথা প্ৰমাণিত হোৱা বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে। শ্ৰী মোদীয়ে সামাজিক মাধ্যযোগে কয়, যে অৰ্থনৈতিক সমীক্ষাৰ পৰা দেশৰ সংস্কাৰ প্ৰক্ৰিয়া উদ্দেশ্যৰ সৈতে দৃঢ়তাৰে ধাৱমান হোৱাৰ কথা স্পষ্ট হৈ পৰিছে। এই সমীক্ষাত দেশৰ অৰ্থনৈতিক ভেটিৰ শক্তি আৰু বিকাশ উদ্ভাৱন তথা সৰ্বাত্মক উন্নয়নৰ বাবে চৰকাৰৰ নিৰন্তৰ প্ৰয়াস প্ৰতিফলিত হৈছে বুলি তেওঁ মন্তব্য কৰে। প্ৰধানমন্ত্ৰীয়ে কয়, যে বিগত কেইটামান বছৰৰ পৰা হৈ থকা সংস্কাৰৰ বাবে দেশৰ অৰ্থ ব্যৱস্থা শক্তিশালী হৈছে আৰু বিনিয়োগকাৰী, ব্যৱসায়ী আৰু জনসাধাৰণৰ মাজত আস্থা বৃদ্ধি পাইছে। তেওঁ লগতে কয়, যে অৰ্থনৈতিক সমীক্ষাত দেশৰ স্থূল অৰ্থনৈতিক ভেটি, নিৰন্তৰ বিকাশ আৰু ৰাষ্ট্ৰৰ গঠন প্ৰক্ৰিয়াত উদ্ভাৱন, উদ্যমশীলতা আৰু আন্তঃগাঁথনিৰ বৰ্ধিত ভূমিকাৰ ওপৰত আলোকপাত কৰা হৈছে। সমীক্ষাত কৃষক, অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ, যুৱ প্ৰজন্মৰ কৰ্মসংস্থাপন সৃষ্টি আৰু সামাজিক কল্যাণৰ গুৰুত্ব আৰোপেৰে সৰ্বাত্মক বিকাশৰ আৱশ্যকতাৰ বিষয়েও আলোকপাত কৰা বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে। শ্ৰী মোদীয়ে কয়, যে ডিজিটেল সেৱাৰ সম্প্ৰসাৰণ, ষ্টাৰ্টআপ সংস্কৃতিৰ প্ৰসাৰ আৰু ব্যাপক আন্তঃগাঁথনি প্ৰকল্পসমূহ অৰ্থনৈতিক ৰূপান্তৰৰ মূল চালিকা শক্তিৰূপে পৰিগণিত হৈছে। সমীক্ষাত প্ৰকাশ পোৱা পৰিকল্পনাৰ বিষয়ে উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয়, যে ইয়াৰ জৰিয়তে নিৰ্মাণ খণ্ডৰ সুদৃঢ়কৰণ, উৎপাদন বৃদ্ধি আৰু ভাৰতবৰ্ষ উন্নত ৰাষ্ট্ৰৰূপে গঢ়ি তোলাৰ প্ৰক্ৰিয়া ত্বৰান্বিত কৰাৰ বাবে স্পষ্ট নীতি প্ৰস্তুত কৰা হৈছে। প্ৰধানমন্ত্ৰী লগতে

ঔদ্যোগিকখণ্ডৰ বিকাশ, দক্ষতাৰ বিকাশ আৰু প্ৰযুক্তিগত উন্নয়নৰ প্ৰতি চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথা দোহাৰে। তেওঁ কয়, যে অৰ্থনৈতিক সমীক্ষাত উল্লেখ কৰা তথ্যসমূহে জ্ঞান সমৃদ্ধ নীতি প্ৰস্তুত কৰাত আৰু ভৱিষ্যতে দেশৰ অৰ্থব্যৱস্থাৰ প্ৰতি আস্থা বৃদ্ধি কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। চৰকাৰে বিকাশৰ ধাৰা অব্যাহত ৰখা আৰু যিকোনো পৰিস্থিতিৰ সন্মুখীন হ'বপৰা শক্তিশালী অৰ্থব্যৱস্থা গঢ়াৰ বাবে কাম কৰি যাব বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে।

০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি অসমৰ ডিব্ৰুগড়ত কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে ডিব্ৰুগড়ত অসম বিধানসভাৰ দ্বিতীয়টো চৌহদৰ আধাৰশিলা স্থাপন কৰিব। ২৮৪ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া এই চৌহদৰ ভিতৰত বিধান সভা ভৱন, বিধায়কৰ আবাস গৃহ, প্ৰেক্ষাগৃহ আৰু বেৰেক থাকিব। তেওঁ লগতে জিলাখনৰ ক্ৰীড়া খণ্ডত নতুন যুগৰ সূচনাৰে খনিকৰত বহুমুখী ক্ৰীড়া প্ৰকল্পৰ প্ৰথম পৰ্যায়ৰ উদ্বোধন কৰাৰ উপৰি দ্বিতীয় পৰ্যায়ৰ কামৰ আধাৰশিলা স্থাপন কৰিব। মুঠ ৪৪৭ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া এই বহুমুখী ক্ৰীড়া প্ৰকল্পৰ প্ৰথম পৰ্যায়ত ২৩৮ কোটি টকা ব্যয় সাপেক্ষে ইনড'ৰ ষ্টেডিয়াম, ফুটবল খেলপথাৰ, দুখন লন টেনিছ ক'ৰ্ট, দুখন ভলীবল ক'ৰ্ট, এখন বাস্কেটবল ক'ৰ্ট, ছুইমিং পুল, ল'ৰা-ছোৱালীৰ আবাস আদি নিৰ্মাণ কৰা হৈছে। খনিকৰ পেৰেড গ্ৰাউণ্ডত কাইলৈ দিনৰ ১১ বজাত হ'বলগীয়া এই অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ মন্ত্ৰী নন্দিতা গাৰ্লোচা উপস্থিত থাকিব।

শ্ৰীশ্বাহে এই অনুষ্ঠানতে উত্তৰ-পূৰ্বাঞ্চলত বন্যপ্ৰাণী সংৰক্ষণৰ অভিলাষী পদক্ষেপ হিচাপে ডিব্ৰুগড়ৰ দিনজানত বন্যপ্ৰাণী স্বাস্থ্য আৰু গৱেষণা প্ৰতিষ্ঠানৰ আধাৰশিলা স্থাপন কৰিব। ২৯২ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া এই প্ৰতিষ্ঠানত বন্যপ্ৰাণীৰ স্বাস্থ্য নিৰীক্ষণ, বিভিন্ন প্ৰকাৰৰ ৰোগ নিৰ্ণয়, উন্নত পৰীক্ষাগাৰৰ সুবিধা থকাৰ লগতে বন্যপ্ৰাণী সংৰক্ষণৰ ক্ষেত্ৰত কাম কৰা পেচাদাৰী লোকসকলক প্ৰশিক্ষণৰো ব্যৱস্থা থাকিব।

শ্ৰীশ্বাহে দুপৰীয়াৰ ভাগত ধেমাজিত মিছিং যুৱ মহোৎসৱৰ সামৰণি অনুষ্ঠানত অংশগ্ৰহণ কৰিব। সন্ধিয়াৰ ভাগলৈ তেওঁ গুৱাহাটীস্থিত ৰাজ্যিক বিজেপিৰ মুখ্য কাৰ্যালয়ত ৰাজনৈতিক আলোচনাত অংশ ল'ব। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে যোৱা নিশা দুদিনীয়া ভ্ৰমণসূচীৰে ডিব্ৰুগড়ৰ ড০ ভূপেন হাজৰিকা বিমান বন্দৰত উপস্থিত হয়। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বৰাকে ধৰি কেইবাগৰাকীও দলীয় নেতা কৰ্মীয়ে শ্ৰী শ্বাহক বিমান বন্দৰত আদৰণি জনায়।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই বছৰৰ বিটিং ৰিট্ৰিট সমাৰোহত স্মৰণীয় বুলি অভিহিত কৰিছে। শ্ৰী মোদীয়ে সামাজিক মাধ্যমযোগে বিটিং ৰিট্ৰিটৰ আলোকচিত্ৰ আৰু ভিডিঅ' শ্বেয়াৰ কৰি কয়, যে সেনাবাহিনীৰ বেণ্ডে পৰিৱেশন কৰা সংগীতৰ সুৰ সঁচাকৈ অতুলনীয় আছিল। তেওঁ কয়, যে অপাৰেচন সিন্দূৰ, বন্দে মাতৰমৰ ডেৰশ বছৰ, ভাৰতীয় মহিলা ক্ৰিকেট দলৰ জয় আৰু অশ্বিনী ড্ৰোন, ভৈৰৱ বেটেলিয়ন তথা প্ৰাচীন গৰুড় ব্যুহ যুদ্ধৰ বিন্যাস আকৰ্ষণীয় আছিল। শ্ৰী মোদীয়ে লগতে বিটিং ৰিট্ৰিট সমাৰোহত কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনীৰ বেণ্ডসমূহে পৰিৱেশন কৰা বিভিন্ন অনুষ্ঠানৰ শলাগ লয়। তেওঁ কয়, যে এই বেণ্ডসমূহে পৰিৱেশন কৰা সংগীতৰ সুৰ প্ৰাণৱন্ত আছিল আৰু ইয়াৰ মাজেৰে দেশ ৰক্ষাৰ সেৱাত ব্ৰতীসকলৰ প্ৰতি গৌৰৱৰ মনোভাৱ প্ৰকাশ পাইছিল।

ooooo

২৩জন ভাৰতীয় মাছমৰীয়া আৰু ২ খন মাছ ধৰা নাও নিৰাপদে ঘূৰাই অনাৰ লগতে ১২৮ জন বাংলাদেশী মাছমৰীয়া আৰু ৫ খন মাছ ধৰা নাও বাংলাদেশ উপকূলক্ষী বাহিনীক শেহতীয়াকৈ গতাই দিয়া হৈছে বুলি ভাৰতীয় উপকূলৰক্ষী বাহিনীয়ে প্ৰকাশ কৰিছে।

সামাজিক মাধ্যমযোগে ভাৰতীয় উপকূলৰক্ষী বাহিনীয়ে এই সন্দৰ্ভ জনাইছে যে,পাৰস্পৰিক বিশ্বাস আৰু সামুদ্ৰিক সহযোগিতা শক্তিশালীকৰণৰ লক্ষ্যৰে কালি ভাৰতীয় উপকূলৰক্ষী বাহিনীৰ জাহাজ 'সমুদ্ৰ পাহেৰেদাৰ' আৰু 'বিজয়া'ই ২ খন মাছ ধৰা নাওৰ সৈতে ২৩ জন ভাৰতীয় মাছমৰীয়াক নিৰাপদে ঘূৰাই আনে আৰু আন্তঃৰাষ্ট্ৰীয় সামুদ্ৰিক সীমাৰেখাত ৫ খন মাছ ধৰা নাওসহ ১২৮ জন বাংলাদেশী মাছমৰীয়াক বাংলাদেশ উপকুলৰক্ষী বাহিনীৰ হাতত গতাই দিয়া হয়। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়েও এটা বিবৃতি প্ৰকাশ কৰিছে যে, অলপতে অজানিতে আন্তঃৰাষ্ট্ৰীয় সামুদ্ৰিক সীমাৰেখা পাৰ হোৱা ভাৰতীয় মাছমৰীয়াক বাংলাদেশ কৰ্তৃপক্ষই গ্ৰেপ্তাৰ কৰিছিল আৰু বাংলাদেশৰ মাছমৰীয়াসকলকো একেদৰেই ভাৰতীয় কৰ্তৃপক্ষই আটক কৰিছিল।

ooooo

আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা-নিধি আই এম এফে ভাৰত আৰু ইউৰোপীয় সংঘৰ মাজত অলপতে সম্পাদিত মুক্ত বাণিজ্য চুক্তিখনক ইতিবাচক ঘটনাক্ৰম বুলি অভিহিত কৰিছে। আই এম এফে কৈছে, যে চুক্তিখনে বৰ্ধিত গোলকীয় ব্যৱসায়ীক উত্তেজনা আৰু অনিশ্চয়তাৰ মাজত অৰ্থনৈতিক সংহতিৰ প্ৰক্ৰিয়া গভীৰ তৰি তোলাৰ বাবে একাংশ ৰাষ্ট্ৰই চলোৱা প্ৰচেষ্টা প্ৰতিফলিত কৰিছে। বিকাশশীল অৰ্থব্যৱস্থা সন্দৰ্ভত মত প্ৰকাশ কৰি আই এম এফৰ অৰ্থনৈতিক উপদেষ্টা তথা গৱেষণা সঞ্চালক পিয়ৰে অলিৱিয়ৰ গৌৰিঞ্চাচে কয়, যে অলপতে সম্পাদিক ব্যৱসায়িত চুক্তিসমূহৰ জৰিয়তে গোলকীয় বাণিজ্যৰ বাবে এটা উত্থান-পতন ভৰা বৰ্ষৰ পাছতো বিভিন্ন দেশৰ চৰকাৰে যে ব্যৱসায়িক সম্পৰ্কৰ সম্প্ৰসাৰণৰ বাবে ব্যৱহাৰিক উপায়ৰ অন্বেষণ কৰি আছে সেয়া স্পষ্ট হৈ পৰিছে। শ্ৰী গৌৰিঞ্চাচে কয়, যে সাম্প্ৰতিক গোলকীয় পৰিস্থিতিত একাংশ দেশে শক্তিশালী ব্যৱসায়িক সম্পৰ্ক গঢ়ি তোলাৰ বাবে প্ৰচেষ্টা চলাই থকাটো সঁচাকৈ উল্লেখনীয়। তেওঁ কয়, যে বাণিজ্যিক চুক্তিসমূহে গোলকীয় অস্থিৰতাৰ সময়তো নীতিগত সুস্থিৰতা আনিব পাৰে।

ooooo

ভাৰতীয় জনতা পাৰ্টিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবিনে আজি দুদিনীয়া সূচীৰে গোৱাত উপস্থিত হ'ব। এই ভ্ৰমণৰ সময়ত তেওঁ কেইবাখনো সাংগঠনিক সভাৰ সভাপতিত্ব কৰাৰ উপৰি বিভিন্ন সমষ্টিৰ দলৰ বুথ পৰ্যায়ৰ কাৰ্যকৰ্তাসকলৰ সৈতে মত বিনিময় কৰিব। তেওঁৰ

এই ভ্ৰমণে গোৱাত বিজেপিক বুথ পৰ্যায়ত অধিক শক্তিশালী কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতিৰূপে দায়িত্ব গ্ৰহণৰ পাছত এয়া তেওঁৰ দ্বিতীয়টো ভ্ৰমণ।

ooooo

মহিলা প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা গুজৰাটৰ বডোডৰাত অনুষ্ঠিত এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৱে ইউ পি ৱাৰিয়ৰ্ছক ৮ উইকেটত পৰাস্ত কৰে। বাংগালুৰুৱে ১৪৪ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি স্মৃতি মান্ধানা আৰু গ্ৰেছ হেৰিছে প্ৰথম উইকেটৰ যুটীত সংগ্ৰহ কৰা ১০৮ ৰানৰ সহায়ত মাত্ৰ ১৩ অভাৰ আৰু এটা বলত দুটা উইকেট হেৰুৱাই নিৰ্ধাৰিত লক্ষ্য অতিক্ৰম কৰে। গ্ৰেছ হেৰিছে দলৰ হৈ ৩৭ টা বলত সৰ্বাধিক ৭৫ ৰান সংগ্ৰহ কৰে। স্মৃতি মান্ধানাই ২৭ টা বলত ৫৪ ৰানৰ বৰঙণি আগবঢ়ায়। ইউ পি ৱাৰিয়ৰ্ছৰ হৈ শিখা পাণ্ডে আৰু আশা শোভনাই এটাকৈ উইকেট দখল কৰে।

ইয়াৰ পূৰ্বে ইউ পি ৱাৰিয়ৰ্ছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৮ টা উইকেটৰ বিনিময়ত ১৪৩ ৰান সংগ্ৰহ কৰে। উই পি ৱাৰিয়ৰ্ছৰ হৈ দীপ্তি শৰ্মাই ৪৩ টা বলত ৫৫ ৰান কৰে। বাংগালুৰুৰ নেইডিন ডি ক্লাৰ্কে ৪ টা উইকেট দখল কৰে। প্ৰতিযোগিতাত আজি বডোডৰাত হ'বলগীয়া এখন খেলত মুম্বাই ইণ্ডিয়ান্স গুজৰাট জায়েণ্টছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব।

ooooo

সমাপ্ত